JETIR.ORG ISSN: 2349-5162 | ESTD Year : 2014 | Monthly Issue
JOURNAL OF EMERGING TECHNOLOGIES AND INNOVATIVE RESEARCH (JETIR)
An International Scholarly Open Access, Peer-reviewed, Refereed Journal

# আধুনিক যুগৰ অসমৰ ভাওনা পৰম্পৰা

জিতুল চন্দ্ৰ বৰা

সংক্ষিপ্তসাৰ ঃ

সময়ৰ সৈতে পৰিৱৰ্তনৰ বাটেৰে আগবাঢ়ি যোৱাটো সকলো কলাৰে প্ৰধান উদ্দেশ্য। বিশ্বৰ সৰ্বোত্তম কলা হিচাপে বিবেচিত অসমৰ ভাওনা শিল্পইয়ো পৰিৱৰ্তনৰ সৈতে তাল মিলাই আধুনিকতাক আকোঁৱালি লৈছে। অসমীয়া ভাওনা প্ৰাচীন পৰম্পৰাৰ পৰা কিছু দূৰ আঁতৰি আহি বৰ্তমানৰ ৰূপত স্থিতি লৈছেহি। অৱশ্যে সেয়ে হ'লেও ভাওনা শিল্পৰ মাদকতা আজিও শেষ হৈ যোৱা নাই।

কালৰ গতিত অংকীয়া ভাওনাৰ বৈশিষ্ট্য সলনি হ'বলৈ ধৰিলে। সত্ৰসমূহত অংকীয়া নাট ৰচনাৰ ঐতিহাসিক পৰম্পৰা হেৰাই যাবলৈ ধৰিলে। সত্ৰৰ কোনো কোনো সত্ৰাধিকাৰে তেওঁলোকৰ অভিষেক অনুষ্ঠানৰ উদ্দেশ্যত ২যৰখন নাট যি ৰচনা কৰিছিল, সেইবোৰে পূৰ্বৰ গৰিমা হেৰুওৱাবলৈ ধৰে। কিয়নো এনে ৰচকৰ ব্ৰজাৱলী ভাষাটোৰ প্ৰতি তেনেধৰণৰ শ্ৰদ্ধাভাৱ নোহোৱা হ'ল। সময়ে কৰা দাবী অনুসৰি সময়ৰ দৰ্শকৰ মনোৰঞ্জনৰ উদ্দেশ্যতহে নাট ৰচনা কৰা হ'ল। সেই সময়ৰ সত্ৰাধিকাৰে আনকি ফৌজিয়া ভাওনাৰ দৰে নাট ৰচনা কৰাও দেখা গ'ল। ফৌজিয়া নাটবোৰৰ ভাষা আছিল অসমীয়া, বাংলা, হিন্দী আৰু মাজে মাজে দুই যএটা ইংৰাজী শব্দ। নাট্যকাৰসকলৰ ব্ৰজাৱলী ভাষাজ্ঞানৰ অভাৱ, সেই সময়ৰ বাংলা ভাষাৰ প্ৰাৰ্দুভাবক পৰিহাৰ কৰাৰ উদ্দেশ্যত এক নতুন শ্ৰেণীৰ নাটৰ জন্ম হ'ল। এই নব্য নাটৰ নাম হ'ল মাতৃভাষা ভাওনা। এই মাতৃভাষাৰ ভাওনা অসমীয়া নাট্য পৰম্পৰাত আধুনিকতাৰ সূচনা কৰিলে। মাতৃভাষাৰ ভাওনা হ'ল অংকীয়া ভাওনাৰ পৰা সৃষ্টি হোৱা এক আধুনিক পৰিৱেশ্য কলা।

সূচক শব্দ ঃ প্ৰাচীন অসমৰ ভাওনা পৰম্পৰা, ভাওনাত আধুনিক কলা-কৌশলৰ প্ৰয়োগ, মাতৃভাষা্ৰ ভাওনা স্বকীয় ৰূপ।

ৰ.ভ্ৰু অৱতৰণিকা ঃ

সময়ৰ সৈতে পৰিৱৰ্তনৰ বাটেৰে আগবাঢ়ি যোৱাটো সকলো কলাৰে প্ৰধান উদ্দেশ্য। বিশ্বৰ সৰ্বোত্তম কলা হিচাপে বিবেচিত অসমৰ ভাওনা শিল্পইয়ো পৰিৱৰ্তনৰ সৈতে তাল মিলাই আধুনিকতাক আকোঁৱালি লৈছে। অসমীয়া ভাওনা প্ৰাচীন পৰম্পৰাৰ পৰা কিছু দূৰ আঁতৰি আহি বৰ্তমানৰ ৰূপত স্থিতি লৈছেহি। অৱশ্যে সেয়ে হ'লেও ভাওনা শিল্পৰ মাদকতা আজিও শেষ হৈ যোৱা নাই।

কালৰ গতিত অংকীয়া ভাওনাৰ বৈশিষ্ট্য সলনি হ'বলৈ ধৰিলে। সত্ৰসমূহত অংকীয়া নাট ৰচনাৰ ঐতিহাসিক পৰম্পৰা হেৰাই যাবলৈ ধৰিলে। সত্ৰৰ কোনো কোনো সত্ৰাধিকাৰে তেওঁলোকৰ অভিষেক অনুষ্ঠানৰ উদ্দেশ্যত ২যৰখন নাট যি ৰচনা কৰিছিল, সেইবোৰে পূৰ্বৰ গৰিমা হেৰুওৱাবলৈ ধৰে। কিয়নো এনে ৰচকৰ ব্ৰজাৱলী ভাষাটোৰ প্ৰতি তেনেধৰণৰ শ্ৰদ্ধাভাৱ নোহোৱা হ'ল। সময়ে কৰা দাবী অনুসৰি দৰ্শকৰ মনোৰঞ্জনৰ উদ্দেশ্যতহে নাট ৰচনা কৰা হ'ল। সেই সময়ত সত্ৰাধিকাৰে আনকি ফৌজিয়া ভাওনাৰ দৰে নাট ৰচনা কৰাও দেখা গ'ল। ফৌজিয়া নাটবোৰৰ ভাষা আছিল অসমীয়া, বাংলা, হিন্দী আৰু মাজে মাজে দুই যএটা ইংৰাজী শব্দ। নাট্যকাৰসকলৰ ব্ৰজাৱলী ভাষা জ্ঞানৰ অভাৱ, সেই সময়ৰ

বাংলা ভাষাৰ প্ৰাৰ্দুভাবক পৰিহাৰ কৰাৰ উদ্দেশ্যত এক নতুন শ্ৰেণীৰ নাটৰ জন্ম হ'ল। এই নব্য নাটৰ নাম হ'ল মাতৃভাষাৰ ভাওনা। এই মাতৃভাষাৰ ভাওনাই অসমীয়া নাট্য পৰম্পৰাত আধুনিকতাৰ সূচনা কৰিলে। মাতৃভাষাৰ ভাওনা হ'ল অংকীয়া ভাওনাৰ পৰা সৃষ্টি হোৱা এক আধুনিক পৰিৱেশ্য কলা।

২.ড্ড অধ্যয়নৰ গুৰুত্ব ঃ

'আধুনিক অসমীয়া ভাওনা পৰম্পৰা'– শীৰ্ষক প্ৰস্তাৱিত গৱেষণাৰ গুৰুত্ব সমূহ এনেধৰণৰ–

শু সাংস্কৃতিক পৰিৱৰ্তনশীল ৰূপৰ সম্যক পৰিচয় লাভ কৰিবলৈ এনে অধ্যয়নৰ গুৰুত্ব আছে।

শু প্ৰাচীন অসমীয়া সংস্কৃতিৰ স্বৰূপ জানিবলৈও এনে অধ্যয়নৰ প্ৰয়োজন আছে।

শু সাম্প্ৰতিক সময়ছোৱাত জনপ্ৰিয় অনুষ্ঠান হিচাপে ভাওনাৰ সম্যক আলোচনা এই অধ্যয়নৰ গুৰুত্বৰ ভিতৰত ধৰা হৈছে...

৩.ড্ড অধ্যয়নৰ উদ্দেশ্য ঃ

প্ৰস্তাৱিত গৱেষণাৰ উদ্দেশ্যসমূহ হৈছে–

শু সাম্প্ৰতিক স্তৰত ভাওনাৰ অৱস্থিতি কি সেই সম্পৰ্কে অধ্যয়ন কৰা আমাৰ এই গৱেষণাৰ মূল উদ্দেশ্য।

শু প্ৰাচীন পৰম্পৰা আৰু ঐতিহ্যৰ ধাৰক আৰু বাহক হিচাপে ভাওনাৰ বিষয়ে সম্যক ধাৰণা লাভ কৰা।

শু ভাওনাত বিশ্বায়নৰ প্ৰভাৱ কিদৰে পৰিছে সেই বিষয়েও ধাৰণা স্পষ্ট কৰিবলৈ আমাৰ এই অধ্যয়নৰ আন এক উদ্দেশ্য।

চ্ছ.ড্ড অধ্যয়নৰ পৰিসৰ ঃ

আমাৰ এই গৱেষণাৰ ক্ষেত্ৰ হিচাপে অসমৰ কেইখনমান জিলা– শিৱসাগৰ, যোৰহাট, গোলাঘাট, ডিব্ৰুগড়, লক্ষিমপুৰ আদি অঞ্চল বাছি লোৱা হ'ব। এইক্ষেত্ৰসমূহ নিৰ্বাচনৰ ভিত্তি এয়ে যে এই অঞ্চলসমূহত মাতৃভাষাৰ ভাওনাৰ প্ৰচলন বেছি।

প্ত.ড্ড তথ্য আহৰণৰ উৎস ঃ

ক] মুখ্য তথ্য ঃ

প্ৰস্তাৱিত গৱেষণা কৰ্মত গৱেষণাৰ প্ৰধান উৎস হিচাপে ক্ষেত্ৰভিত্তিক অধ্যয়নৰ সহায় লোৱা হ'ব। ক্ষেত্ৰভিত্তিক অধ্যয়নৰ অংশ হিচাপে মাতৃভাষাৰ ভাওনাৰ সৈতে জড়িত বিভিন্ন ব্যক্তিৰ সাক্ষাৎকাৰ গ্ৰহণ কৰা হৈছে।

খ] গৌণ তথ্য ঃ

গৌণ তথ্য হিচাবে প্ৰস্তাৱিত বিষয়ৰ সৈতে সম্পৰ্কযুক্ত প্ৰকাশিত অপ্ৰকাশিত গৱেষণা গ্ৰন্থ, প্ৰবন্ধ, মাতৃভাষাৰ ভাওনা প্ৰতিযোগিতা উপলক্ষত প্ৰকাশিত বিভিন্ন স্মৃতিগ্ৰন্থৰ পৰা লাভ কৰা উৎস সম্পৰ্কীয় আলোচনাক অন্তৰ্ভুক্ত কৰা হৈছে।

৬.ড্ড অধ্যয়নৰ পদ্ধতি ঃ

আমাৰ এই গৱেষণা আগবঢ়াই নিওঁতে বিশেষকৈ বিশে;ষণাত্মক আৰু তুলনামূলক পদ্ধতি গ্ৰহণ কৰা হৈছে।

জ্জ.ড্ড বিষয়ৰ পৰিচয় ঃ

জ্জ.০১ আধুনিক যুগৰ অসমৰ ভাওনা পৰম্পৰা ঃ

সময়ৰ সৈতে হাতধৰি পৰিৱৰ্তনৰ ধৰ্ম গ্ৰহণ কৰাতো সকলো প্ৰকাৰৰ কলাৰে প্ৰধান উদ্দেশ্য৷ বিশ্বৰ সৰ্বোত্তম কলা হিচাপে বিবেচিত অসমৰ ভাওনা শিল্প৷ সময়ৰ পৰিৱৰ্তনৰ সৈতে তাল মিলাই ভাওনা শিল্পইও আধুনিকতাক আকোঁৱালি লৈছে৷ এই কথা স্মৰণযোগ্য যে শংকৰদেৱ কৃত অসমীয়া ভাওনা শিল্পৰ মাদকতা আজিৰ দিনতো শেষ হৈ যোৱা নাই৷

কালৰ গতিত অংকীয়া ভাওনাৰ বৈশিষ্ট্য্য সলনি হ'বলৈ ধৰিলে৷ সত্ৰসমূহত অংকীয়া নাট ৰচনাৰ ঐতিহাসিক পৰম্পৰা হেৰাই যাবলৈ ধৰিলে৷ সত্ৰৰ কোনো কোনো সত্ৰাধিকাৰে তেওঁলোকৰ অভিষেক অনুষ্ঠানৰ উদ্দেশ্যত ২যৰখন নাট যি ৰচনা কৰিছিল, সেইবোৰে পূৰ্বৰ গৰিমা হেৰুওৱাবলে ধৰে৷ কিয়নো এনে ৰচকৰ ব্ৰজাৱলী ভাষাটোৰ প্ৰতি তেনেধৰণৰ শ্ৰদ্ধাভাৱ নোহোৱা হ'ল৷ সময়ে কৰা দাবী অনুসৰি সেই সময়ৰ দৰ্শকৰ মনোৰঞ্জনৰ উদ্দেশ্যতহে নাট ৰচনা কৰা হ'ল৷ সেই সময়ৰ সত্ৰাধিকাৰেও আনকি ফৌজিয়া ভাওনাৰ দৰে নাট ৰচনা কৰাও দেখা গ'ল৷ ফৌজিয়া নাটবোৰৰ ভাষা আছিল অসমীয়া, বাংলা, হিন্দী আৰু মাজে মাজে দুইযএটা ইংৰাজী শব্দ৷ নাট্যকাৰসকলৰ ব্ৰজাৱলী ভাষাজ্ঞানৰ অভাৱ, সেইসময়ৰ বাংলা ভাষাৰ প্ৰাৰ্দুভাবক পৰিহাৰ কৰাৰ উদ্দেশ্যত এক নতুন শ্ৰেণীৰ নাটৰ জন্ম হ'ল৷ এই নৱ্য নাটৰ নাম হ'ল মাতৃভাষাৰ ভাওনা৷ এই মাতৃভাষাৰ ভাওনাই অসমীয়া নাট্য পৰম্পৰাত আধুনিকতাৰ সূচনা কৰিলে৷ মাতৃভাষাৰ ভাওনা হ'ল অংকীয়া ভাওনাৰ পৰা সৃষ্টি হোৱা এক আধুনিক পৰিৱেশ্য কলা৷৷

আধুনিক যুগৰ আৰম্ভ হোৱা মাতৃভাষাৰ ভাওনাই ইয়াৰ সকলোবোৰ দিশতে আধুনিকতাক স্পৰ্শ কৰিবলৈ ধৰিলে৷ ভাওনাৰ উপস্থাপন ৰীতি তথা কলা-কৌশল, ধৰ্মীয়-পৰম্পৰা ৰক্ষা, স্ত্ৰী চৰিত্ৰৰ প্ৰাধান্য, পোছাক-পৰিচ্ছদ, আ-অলংকাৰ সকলোতে আধুনিকতাৰ ছাপ পৰিল৷ পূৰ্বৰ অংকীয়া ভাওনাসমূহত থকা নাটকীয় কলা কৌশলৰ বহুখিনিত পৰিৱৰ্তন সংঘটিত হ'ল৷ ব্ৰজাৱলী ভাষা সমুলঞ্চে নাইকিয়া হৈ পৰিল৷ তাৰ ঠাই অধিকাৰ কৰি ল'লে অসমীয়া মাতৃভাষাই৷ পূৰ্বৰ অংকীয়া নাটৰ ভক্তি ধৰ্মৰ যি পৰম্পৰা সি বৰ্তমানৰ ভাওনা পৰম্পৰাত পাবলৈ নাই৷ অংকীয়া নাটসমূহত স্ত্ৰী চৰিত্ৰসমূহৰ ৰূপায়ণ ঘটাইছিল যে কেৱল পুৰুষ চৰিত্ৰইহে৷ কিন্তু আধুনিক অসমীয়া ভাওনা পৰম্পৰাত স্ত্ৰীসকলেও স্ত্ৰী চৰিত্ৰত অভিনয় কৰা দেখিবলৈ পোৱা যায়৷ আনহাতেদি ৰূপসজ্জা আদিতো বহুল পৰিৱৰ্তনে দেখা দিলে৷ ৰূপসজ্জা হ'ল ভাওনাৰ এটি গুৰুত্বপূৰ্ণ উপাদান৷ ৰূপসজ্জাত চৰিত্ৰৰ অভিব্যক্তি, সৌন্দৰ্য আৰু দেহৰ বৰ্ণক প্ৰতিফলন ঘটায়৷ প্ৰাচীন কালত ৰূপসজ্জাৰ বাবে হেঙুল-হাইতাল, নীল, খৰিমাটি, চন্দন আদি প্ৰাকৃতিকভাৱে পোৱা দ্ৰব্যক ব্যৱহাৰ কৰা হৈছিল৷ এইবোৰৰ উপৰিও মিঠাতেল, বোন্দা কেঁচুৰ ৰস, লাওখোলাৰ এঙাৰ, মণিছালৰ গুটি আদি ২১ বিধ উপাদান ব্যৱহাৰ কৰা হৈছিল৷ কিন্তু আধুনিক ৰূপসজ্জাত এইবোৰ উপকৰণ পাবলৈ নোহোৱা হ'ল৷ ইয়াৰ পৰিৱৰ্তে আধুনিক নানা তৰহৰ ৰং-বিৰঙে ইয়াৰ ঠাই অধিকাৰ কৰি ল'লে৷

পোছাক পৰিচ্ছদৰ ব্যৱহাৰতো নতুনত্বই দেখা দিলে৷ আধুনিক যুগৰ ভাওনাত অংকীয়া নাটৰ সময়ৰ পোছাক পৰিচ্ছদ ব্যৱহাৰ পাবলৈ নাই৷ আধুনিক পোছাকসমূহত আমদানিকৃত চি{¨, সংশোধিত আঁহৰ পৰা নিৰ্মিত কাপোৰ, চুমকী আদি প্ৰয়োগ কৰা হয়৷

আধুনিক ভাওনা পৰম্পৰাত ভাওনাসমূহ ৰূপায়ণৰ ক্ষেত্ৰত পোহৰৰ উৎস হিচাপে বিজুলী বাতিৰ ব্যৱহাৰহে দেখিবলৈ পোৱা যায়৷ অংকীয়া ভাওনাৰ অভিনয় পৰম্পৰাত ব্যৱহৃত চৌতৰা, মহতা, ডলাচাকি, বাদুলী চাকিৰ ব্যৱহাৰ পাবলৈ নোহোৱা হ'ল৷ অৱশ্যে প্ৰতিযোগিতাৰ ভাওনাবোৰত পৰম্পৰাক ৰক্ষা কৰা দেখিবলৈ পোৱা যায়৷ তদুপৰি অলংকাৰ আদিৰ ব্যৱহাৰতো আধুনিকতাৰ পৰশ পৰিব ধৰিলে৷

ভাওনাত আধুনিক পৰম্পৰাৰ সূচনা হোৱাৰ লগে লগে ইয়াৰ কিছুমান নেতিবাচক দিশো চকুত নপৰা নহয়৷ অপ্ৰতিৰোধ্য সময়ে ভাওনাক আধুনিকীকৰণ কৰি তুলিলেও মাতৃভাষাৰ ভাওনাৰ দৰে এই আধুনিক ৰূপত লাহে লাহে অৱক্ষয় নামি আহিবলৈ ধৰিছে৷ মাতৃভাষাৰ ভাওনাত গোৱা গায়ন-বায়ন আৰু সূত্ৰধাৰীৰ আৰু যুদ্ধৰ নৃত্যৰ বাহিৰে অন্যবিলাক চৰিত্ৰত নৃত্যৰ চিনমোকাম পাবলৈ নাই৷ প্ৰাচীন ভাওনাৰ গাম্ভীৰ্য লাহে লাহে হেৰাই যাবলৈ ধৰিছে৷ অন্যহাতেদি ধৰ্ম ভাৱৰ প্ৰাধান্য কমি অহাত কোনো কোনো ক্ষেত্ৰত আধুনিক ভাওনা মনোৰঞ্জনৰ আহিলা হৈহে পৰিল৷ সি যি নহওক– সংস্কৃতিৰ বৈশিষ্ট্যই হৈছে পৰিৱৰ্তনশীলতা৷ সময় অতিক্ৰম হোৱাৰ লগে লগে সাংস্কৃতিক এনে কাৰ্যৰো পৰিৱৰ্তন ঘটাটো স্বাভাৱিক৷ সেইবুলি আধুনিকতাই ঐতিহ্যক বিসৰ্জন দিয়া নুবুজায়৷ ঐতিহ্যক সন্মান জনাই তাৰ ভেঁটিতে নতুনৰ সৃষ্টি হোৱাতোহে সংস্কৃতিৰ বাবে এক শুভ লক্ষণ৷ সময়ৰ প্ৰতি আহ৩ান জনাই সাংস্কৃতিক পৰম্পৰাক জনসাধাৰণৰ মাজলৈ উলিয়াই অনা হয়৷ বিজ্ঞানসন্মত এনে নৱ্য চিন্তাধাৰাৰ প্ৰকাশ ঘটোৱাই জাতীয় ঐতিহ্যৰ প্ৰাণ প্ৰতিষ্ঠাতাসকলে৷ বিৱৰ্তন অথবা পৰিৱৰ্তন পৃথিৱীৰ আজন্ম নিয়ম৷ সময় সলনি হৈ গৈ থকাৰ সময়তে সাংস্কৃতিক পৰিৱৰ্তনৰ গতিধাৰাও সলনি হৈ গৈ থাকে৷ লগতে সলনি হয়শিল্প শৈলীও৷ এনে পৰিপ্ৰেক্ষিতত সংস্কৃতিৰ

ৰেহ-ৰূপৰ পৰিৱৰ্তন অৱশ্যম্ভাবী হৈ পৰিছে। সংস্কৃতিৰ এনে পূৰ্বৰ সমাজ আজি পাবলৈ নাই। পূৰ্বৰ সেই ৰাম ও নাই; আযোধ্যাও নাই।

পৰিৱৰ্তনৰ সোঁতত মানুহৰ চিন্তা-ভাৱনা, ৰুচিবোধৰ পৰিৱৰ্তন ঘটে। অংকীয়া ভাওনাই পূৰ্বৰ ৰূপ সলনি কৰিলে। সাম্প্ৰতিক কালত অংকীয়া নাটসমূহৰ বিপৰীতে অধিকাংশই মাতৃভাষাৰ ভাওনাৰ নাট। ভাওনাৰ বিৱৰ্তন সকলো দিশতে হ'ল। ভাওনাত ব্যৱহৃত সাজ-পোছাক, আহিলা-পাতি, ৰং-বৰণ, দৃশ্যপট, মঞ্চ, ভক্তিমূলকতা আদি সকলো দিশতে আমুল পৰিৱৰ্তন সাধন ঘটিল। ফলস্বৰূপে সূচনা হ'ল আধুনিক যুগৰ এক নতুন নাট্য পৰম্পৰা নতুন পৰম্পৰাৰ উপস্থিতিত ভাওনাৰ প্ৰাচীন পৰম্পৰা শৈলীৰ পৰিৱৰ্তন ঘটিল। আধুনিক যুগত সূচনা হোৱা আধুনিক নাট্য পৰম্পৰাৰ কোনবিলাক দিশত আৰু কেনেকুৱা পৰিৱৰ্তন ঘটিল সেয়া বিচাৰ্যৰ বিষয়। আধুনিক অসমীয়া ভাওনা পৰম্পৰাত কেনেবিলাক দিশত পৰিৱৰ্তন ঘটিল, সেই সম্পৰ্কে তলত আলোচনা দাঙি ধৰা হ'ল–

ৰ] গুৰুমুখী পৰম্পৰাৰ অৱসান ঃ

মাতৃভাষাৰ ভাওনা পূৰ্বৰ ভাওনা শৈলীৰ পৰা বহুদূৰ আঁতৰি আহিল। অংকীয়া পৰম্পৰা মাতৃভাষাৰ ভাওনাত তেনেদৰে সংৰক্ষিত নহ'ল। আগৰ দিনৰ ভাওনাত সূত্ৰধাৰী অথবা কৃষ্ণ-বিষ্ণুৰ ভাও গোসাঁই, মহন্তৰ ঘৰৰ ল'ৰাহঁতে লোৱাৰ নিয়ম। অৱশ্যে অসমৰ সত্ৰসমূহত এনে পৰম্পৰা ৰক্ষিত। ভাওনাত দেৱতা-দানৱ আদি সকলো চৰিত্ৰই প্ৰৱেশ শেষ কৰাৰ পাছত ভাওনাস্থলীত উপস্থিত থকা সত্ৰাধিকাৰ বা আন কোনো গোসাঁই প্ৰভুক সেৱা কৰাৰ নিয়ম আছিল। গায়ন-বায়নৰ লোকসকলে সত্ৰৰ নিৰ্মালি লোৱা ব্যক্তি হ'ব লাগিছিল।

কিন্তু কালক্ৰমত সত্ৰৰ এনে পৰম্পৰা ৰক্ষিত হৈ নাথাকিল। আধুনিক কালৰ কোনো কোনো লোক উপযুক্ত গুণতে দায়িত্ব ল'বলৈ সক্ষম হ'ল। প্ৰকৃততে এনেবিলাক ব্যাধি ব্যৱস্থা থকাৰ ফলস্বৰূপে গুৰুজনাৰ নীতি, আদৰ্শৰ পৰা ই বহুখিনি দূৰ অতিক্ৰমী গ'ল।

২] ভাওনাৰ সাজ-পোছাক ঃ

ক] পাগুৰিৰ ব্যৱহাৰ

ভাওনাৰ সাজ-পোছাকৰ এক অবিচ্ছেদ্য অংগ হ'ল পাগুৰীৰ ব্যৱহাৰ। ভাওনাত এই পাগুৰীৰ ব্যৱহাৰ মূলতঃ দুটা শ্ৰেণীৰ চৰিত্ৰৰ মাজত দেখিবলৈ পোৱা যায়। ভাওনাত গায়ন-বায়নসকলে পাগুৰি ব্যৱহাৰ কৰে। অন্যহাতেদি সূত্ৰধাৰ চৰিত্ৰই পাগুৰিৰ ব্যৱহাৰ কৰা দেখা যায়। ভাওনাৰ গায়ন-বায়নৰ পাগুৰি দৰাচলতে সত্ৰীয়া পদ্ধতিৰ। ই শুদ্ধ বগা। সাধাৰণতে কপাহী চেলেঙ চাদৰ খনেৰে এনেধৰণৰ পাগুৰি নিৰ্মাণ কৰি লোৱা হয়। গায়ন-বায়নে পাগুৰিৰ ওপৰত বকুল ফুলৰ মালা লয়। আনহাতেদি সূত্ৰধাৰে পৰিধান কৰা পাগুৰি দুই ধৰণৰ গৰুড় চৰাইৰ ঠোঁটৰ আকৃতিৰ। ই পাছফালে তললৈ ওলমা। এনেধৰণে লোৱা পাগুৰিত পটি, মণি, চুমকি, বালিচন্দা আদি লগাই লোৱা হয়। পাগুৰিটো মূৰত ভালদৰে আঁত ল'বলৈ এখন পাতল বগা কাপোৰ ব্যৱহাৰ কৰা হয়। এনে পাগুৰি স্থায়ীভাৱেও বান্ধি লোৱা হয়। অন্য প্ৰকাৰৰ পাগুৰি গায়ন-বায়নৰ সূত্ৰধাৰৰ সতে একেই। মাত্ৰ পাৰ্থক্য এয়ে যে– সময়ত তাক মাৰি লোৱা হয় বা পিছত খুলি লোৱা হয়।

আধুনিক কালৰ ভাওনা পৰম্পৰাত দেখিবলৈ পোৱা যায় ভাৱৰীয়াৰ পোছাকযোৰত চুমকি লগাই লোৱা হয়। মখমল কাপোৰত ফুল বাছি, চৰিমা, গুণা, আদি লগায়। কিৰিটীবোৰ সাধাৰণতে পাহি লগা আৰু পাহি নলগা দুই শ্ৰেণীৰ হয়। কুঁহিলা আৰু সাঁচিপাত বা আন উপায়েৰে সজা কিৰিটীৰ ওপৰত গুণা, পটি আৰু ৰাংপতা লগোৱা হয়। কেতিয়াবা তাত সৰু সৰু মণি, চুমকি আদিও গুঠি তাক জাকজমকীয়া কৰি লোৱা হয়।

স্ত্ৰী ভাৱৰীয়াই সাধাৰণতে ঘূৰী নাইবা লহঙা পিন্ধে। গাত পাগুৰীৰ দৰে ৰীহা, চাদৰৰ বহল কাপোৰত পটি দি চাদৰৰ নিচিনাকৈ তাক মেৰিয়াই লোৱা হয়। মূৰত চিৰিপটি মণি লগায়। স্ত্ৰী চৰিত্ৰ ৰূপায়ণ কৰা লোকসকলে লগাই লোৱা চুলি ব্যৱহাৰ কৰে। তেনেদৰে পুৰুষসকলে ব্যৱহাৰৰ কৰা চুলি-দাড়ি, গোঁফ এইবোৰ দেশৰ বাহিৰৰ পৰা আমদানিকৃত দ্ৰব্যইহে স্থান অধিকাৰ কৰি ল'লে। সূত্ৰধাৰ চৰিত্ৰৰ বাদেও আন স্ত্ৰী চৰিত্ৰই ভৰিত নূপুৰ পিন্ধে।

আগত এনে নূপুৰ তৈয়াঁþাৰ কৰি লোৱা হৈছিল কাঠেৰে। তাৰ মূৰৰ ভাগটোত থকা ফুটাইদি ৰছি লগাই ৰছিডাল ভৰিৰ বুঢ়া আঙুলিত ভৰাই লেৱা হৈছিল। বৰ্তমানে এই নূপুৰৰ পৰিৱৰ্তে স্ত্ৰী চৰিত্ৰ, অসুৰ, দৈত্য-দানৱ আদি চৰিত্ৰই বজাৰত

পোৱা ধাতুৰৰ নূপুৰহে ব্যৱহাৰ কৰিবলৈ ল'লে৷ ভাওনাত ব্যৱহাৰ হোৱা ত্ৰিশূল, চক্ৰ, অস্ত্ৰ-শস্ত্ৰবোৰো আধুনিক ধাতুৰে নিৰ্মিত সামগ্ৰীহে৷

পুৰুষ চৰিত্ৰই ব্যৱহাৰ কৰা কাণৰ ফুলি, ডিঙিত পিন্ধা মণি আদিবোৰ আধুনিক প্লাষ্টিক জাতীয় সামগ্ৰীৰে নিৰ্মিত৷ তেনেদৰে স্ত্ৰী ভাৱৰীয়াই পৰিধান কৰা গেজেৰা, চিপট, ঢোলবিৰি, জোনবিৰি, কোটমণি, বিবিধ মণি, দুগদুগি আধুনিক বজাৰত সুলভ প্লাষ্টিক আৰু আন সামগ্ৰীৰেই নিৰ্মিত৷

গ] আহিলা-পাতিযৰঙ ঃ

পুৰুষ অথবা স্ত্ৰী চৰিত্ৰই দেহৰ অংগ সজাবলৈ ব্যৱহাৰ কৰা সামগ্ৰীৰো পৰিৱৰ্তন ঘটিল৷ কৃত্ৰিমভাৱে প্ৰস্তুত কৰি লোৱা ৰঙৰহে এতিয়া ব্যৱহাৰ হ'বলৈ ধৰিলে৷ আলট্ৰা, লিপষ্টিক, মেজেন্দাৰ আদি বিবিধ বস্তু-সামগ্ৰী সোমাই পৰিল৷ তেনেদৰে ৰঙৰ লগত ব্যৱহাৰৰ উপযোগী স্পিৰিট, জিংক, অক্সাইড, গ্লিচাৰিণ, মেক্স ফেক্টৰ আদি সামগ্ৰী ব্যৱহাৰ হ'ল৷

ঘ] আলোকসজ্জা ঃ

পুৰণি কালত ভাওনাৰ পৰিৱেশন অথবা প্ৰদৰ্শনৰ বাবে প্ৰাকৃতিকভাৱে পোহৰৰ ব্যৱস্থা কৰি লোৱা হৈছিল৷ পোহৰৰ বাবে ব্যৱহাৰ কৰা প্ৰাচীন সামগ্ৰীসমূহ আছিল এনেধৰণৰ–

আঁৰিয়া ঃ

কামি এছটাত ফটাকানি মৰাপাট আদিৰে বেণীৰ দৰে গুঠি তাক সৰিয়ঁ্হ বা এৰি তেলত জুবুৰিয়াই আঁৰিয়া প্ৰস্তুত কৰি লোৱা হৈছিল৷ অতি সাম্প্ৰতিক সময়ছোৱাত ইয়াক কেৰাচিন তেলত ব্যৱহাৰ কৰা হয়৷

চৌতৰা ঃ

এবিধ ডাঙৰ আকৃতিৰ চাকি৷ তৰাৰ দৰে ইয়াৰ পোহৰ চাৰিওফালে বিয়পি পৰে বাবে ইয়াক চৌতৰা বোলা হৈছে৷

ভোটা চাকি ঃ

ভোটা চাকি মানে ডাঙৰ চাকি৷ ধাতুৰ পাত্ৰ এটাত তেল দি চাৰিওফালে কেইবাডালো শলিতা জ্বলোৱা হয়৷ এনেধৰণৰ চাকি কেতিয়াবা কলগছৰ মুঢ়া এটাৰ ওপৰত ৰখা হয়৷

ডলা চাকি ঃ

ডলা এখনৰ চাৰিওফালে শলিতাডাল বাহিৰলৈ উলিয়াই কেইবাটাও চাকি একেলগে জ্বলাই ডলা চাকি সজোৱা হৈছিল৷

মহতা বা মতা ঃ

মহতা বা মতা হ'ল এবিধ উজ্জ্বল পোহৰ দিয়া চাকি৷

কিন্তু আধুনিক ভাওনাত এনে পৰম্পৰাৰ অৱসান ঘটিল৷ ইয়াৰ পৰিৱৰ্তে দিন যেন পোহৰ কৰি ৰখা আলোক সজ্জাৰ ব্যৱহাৰ হ'বলৈ ধৰিলে৷

বাদ্য যন্ত্ৰ ঃ

খোল-তাল, মৃদংগ, ডবা এনেধৰণৰ বাদ্য পৰম্পৰাগতভাৱে আধুনিক ভাওনাতো ব্যৱহাৰ হৈ আহিছে৷ কিন্তু সেয়ে হ'লেও বাদ্যযন্ত্ৰৰ ক্ষেত্ৰটো ভাওনাত আধুনিকতাৰ পৰশ পৰিল৷ আধুনিক বাদ্যযন্ত্ৰ হিচাপে কি-ব'ৰ্ড ব্যৱহাৰ ভাওনাত দেখিবলৈ পোৱা গ'ল৷

দূৰভাষযঅনুভাষ যন্ত্ৰৰ ব্যৱহাৰ ঃ

আধুনিক ভাওনা পৰম্পৰাৰত দূৰভাষ আৰু অনুভাষ যন্ত্ৰৰ ব্যৱহাৰ কৰিহে ভাওনা এখন মঞ্চস্থ কৰা হয়৷ দোহাৰত থকা শিল্পী কলা-কৌশলীয়ে দূৰভাষ যন্ত্ৰ কৰিছিল৷ আনহাতেদি ভাও-ভাৱৰীয়াসকলে টাই-পিন ব্যৱহাৰ কৰিছিল৷

ক্ৰমবিৱৰ্তিত সময়ৰ লগে লগে ভাওনাতো এনেদৰে পৰিৱৰ্তন আহিবলৈ ধৰিল৷ পুৰণিক ত্যাগ কৰি সমান্তৰালভাৱে মাতৃভাষাৰ ভাওনাই বৰ্তমানকো আকোঁৱালি ল'লে৷ ফলস্বৰূপে মাতৃভাষাৰ ভাওনাই জনপ্ৰিয়তাহে অৰ্জন কৰিলে৷

জ্জ্ব.জ্ম মাতৃভাষাৰ ভাওনাৰ বৰ্তমানৰ স্থিতি ঃ

প্ৰতিযোগিতা কিম্বা সমাৰোহৰ আয়োজন হোৱাৰ লগে মাতৃভাষাৰ নাট-ভাওনাৰ ক্ষেত্ৰতো বাহ্যিক আৰু আভ্যন্তৰীণ উভয় ক্ষেত্ৰতে পৰিৱৰ্তনে দেখা দিলে।

বাহ্যিক পৰিৱৰ্তন ঃ

ক] পেছাদাৰিত্ব কিম্বা বৃত্তিমূলকতা ঃ

অতি সাম্প্ৰতিক কালৰ ভাওনাত ভক্তিধৰ্মৰ দৃষ্টিভংগী আৰু ঐহিক কিম্বা পাৰত্ৰিক কল্যাণ উদ্দেশ্যৰ পৰিৱৰ্তে প্ৰতিযোগিতাত অৰ্থনৈতিক দিশটোৰ ওপৰত অত্যধিক গুৰুত্ব আৰোপিত হ'বলৈ ধৰিছে। ফলশ্ৰুতিত মাতৃভাষাৰ নাট ভাওনালৈ ক্ৰমে ক্ৰমে পেছাদাৰিত্বৰ অনুপ্ৰৱেশ ঘটিছে গায়ন-বায়ন, ভাঁৱৰীয়া, পোহৰ নিয়ন্ত্ৰক, শব্দযন্ত্ৰী আদিতো। বিভিন্নক্ষেত্ৰত ভালেখিনি ধনৰ প্ৰয়োজন হৈ পৰিছে। নাৰী চৰিত্ৰত অভিনয় কৰা পুৰুষ শিল্পীসকল, দোহাৰ আৰু দুই এটা গুৰুত্বপূৰ্ণ চৰিত্ৰৰ ক্ষেত্ৰত টকা-পইচাৰ কথাটো বেছিকৈ প্ৰকট হ'বলৈ ধৰিছে। অৱশ্যে ৰূপসজ্জাকাৰসকলে পূৰ্বৰে পৰা সামান্য মাননি লৈ বা কেতিয়াবা নোলোৱাকৈয়ো সেই কৰ্ম সম্পাদন কৰিছিল। প্ৰদৰ্শনে বেছি গুৰুত্ব লাভ কৰাৰ লগে লগে ভক্তিয়ে ক্ৰমে ক্ৰমে মেলানি মাগিবলগীয়া হৈছে। নাটমেলা, আখৰা কৰা, মাজতে এদিন ভাৱৰীয়াসকলে মিলি শৰাই এভাগ আগবঢ়োৱা, বৰ আখৰা কৰা, অধিবাস অনুষ্ঠিত কৰা, ভাওনাৰ দিনা উপবাসে থকা, ভাওনাৰ পিছত কোনো এদিন নাট সামৰা পাতি শৰাই এভাগ আগবঢ়োৱা আদি আটাইবোৰ ক্ৰিয়া কৰ্মই প্ৰত্যক্ষভাৱে বা পৰোক্ষভাৱে ভক্তি কিম্বা ঐকান্তিকতাৰ লগত জড়িত আছিল। পেছাদাৰিত্বৰ অনুপ্ৰৱেশৰ লগে লগে স্বাভাৱিকভাৱেই এইধৰণৰ কাৰ্যসমূহ অদৰকাৰী যেন বোধ হ'বলৈ ধৰিছে। গতিকে ভক্তিমূলকতা দূৰীভূত হৈ বৃত্তিমূলকতাই অধিক গুৰুত্ব লাভ কৰিছে।

খ] ভক্তিমূলকতাৰ বিদায় সমাগত ঃ

সাম্প্ৰতিক কালত বিনোদনৰ বিভিন্ন উপাদানৰ জয়জয়কাৰ চলি থকাৰ সময়তো, মাতৃভাষাৰ ভাওনাৰ প্ৰতিযোগিতাসমূহত দৰ্শক ৰাইজৰ অভূতপূৰ্ব সমাৱেশ পৰিলক্ষিত হোৱাতো মন কৰিবলগীয়া। কিন্তু, ভাওনা প্ৰতিযোগিতাসমূহৰ ব্যাপক প্ৰসাৰে মাতৃভাষাৰ ভাওনালৈ কিছু সমস্যাও মাতি আনিছে। প্ৰতিযোগিতাত যোগদান কৰা মানেই পুৰস্কৃত হ'বলৈ যত্ন কৰা। পুৰস্কাৰ পাবলৈ হ'লে, একোটা বহল অঞ্চলৰ বা কেতিয়াবা তাতোকৈও দূৰৈৰ বাছকবনীয়া, শিক্ষিত, অভিনয় কুশলী, বিশেষজ্ঞ জাতীয় শিল্পীসকলকহে গুৰুত্ব দিব লাগিব। আনহাতে আখৰা আৰম্ভ কৰাৰ পৰা প্ৰতিযোগিতাত যোগদান কৰালৈকে কেইবা হাজাৰো টকাৰ প্ৰয়োজন হ'ব– যাৰ বাবে কিছু পৰিমাণে হ'লেও আঢ্যৱন্তসকলেহে ইয়াত জড়িত হোৱাৰ সুবিধা লাভ কৰিব, এনেকৈয়ে গোটেই অনুষ্ঠানটো গাঁওবাসী সাধাৰণ ৰাইজৰ ওচৰৰ পৰা আঁতৰি গৈ থাকিব। মন কৰিবলগীয়া যে, বিগত তিনি চাৰি শতিকা ধৰি এই অনুষ্ঠানটো মহাপয়োভৰে চলি থকাৰ মূল কাৰণ আছিল সকলোস্তৰৰ জনসাধাৰণৰ ব্যাপক অংশ গ্ৰহণ। প্ৰত্যক্ষ বা পৰোক্ষভাৱে সামূহিক অংশগ্ৰহণৰ সুবিধা আছিল বাবেহে ভাওনাৰ আকৰ্ষণ আৰু জনপ্ৰিয়তা মোলান নপৰাকৈ চলি আছিল। ভাওনাৰ কৰ্মশালা বা প্ৰশিক্ষণ কেন্দ্ৰ খোলা, প্ৰতিযোগিতাৰ বিচাৰকক প্ৰশিক্ষণ দিয়া, লাখ টকীয়া পুৰস্কাৰ ঘোষণা, কিছুসংখ্যক স্বয়ম্ভু[2] "ভাওনা বিশেষজ্ঞ" ওলোৱা, নিয়মাৱলী-সংবিধান আদি তৈয়াৰ কৰা আদিবোৰে এই ভক্তিধৰ্মৰ অনুষ্ঠান ভাগক বিকৃত কৰিবলৈ ধৰিছে।

পূৰ্বতে একোখন গাঁৱৰ সকলো লোক একত্ৰিত হৈ ভাওনা এখন অনুষ্ঠিত কৰিছিল। প্ৰকৃততে সামূহিক অংশগ্ৰহণৰ প্ৰক্ৰিয়াৰ পৰা স্বাভাৱিকতেই প্ৰতিযোগিতা বা সমাৰোহৰ ভাওনাৰ জন্ম হয়। ভাওনাখন ৰাইজে অতি আন্তৰিকতাৰেও গ্ৰহণ কৰিছিল। মন কৰিবলগীয়া কথাটো হ'ল, আবাল-বৃদ্ধ-বনিতাৰ বুকুৰ উমেৰে জীপাল নোহোৱা কোনো সাংস্কৃতিক অনুষ্ঠানেই কিন্তু বেছি দিন টিকি থকাৰ উদাহৰণ পাবলৈ নাই।

মাতৃভাষাৰ ভাওনাই জনপ্ৰিয়তা লাভ কৰা লগে লগে ইয়াৰ কেইটামান পৃথক ধৰণৰ পৰিবেশনো পৰিলক্ষিত হৈছে। ৰাতি অনুষ্ঠিত কৰা ভাওনাৰ পৰিৱৰ্তে দিনত পতা ভাওনা, শিশুসকলৰ দ্বাৰা অভিনীত ভাওনা, মহিলাসকলৰ দ্বাৰা অভিনীত ভাওনা, শ্ৰীশ্ৰীকৃষ্ণৰ ৰাসলীলাৰ ঘাই মুহূৰ্তসমূহৰ অভিনয়েৰে, 'কংসালয়'ৰ প্ৰতিযোগিতা ইত্যাদি। কোনো

বিশেষ উপলক্ষ্যত যোৰহাট, কাকজান, মাজুলী আদি উজনি অসমৰ কেইবাখনো মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰী, অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আদি সমবেত হৈ ভাওনা অনুষ্ঠিত কৰাটোও এইখিনিতে উল্লেখ কৰিব পাৰি৷ এই প্ৰসংগত যোৰহাটৰ জগন্নাথ বৰুৱা মহাবিদ্যালয়ে প্ৰতিষ্ঠা দিৱসৰ দিনা ১০ অক্টোবৰ, ২০১০ খ্ৰীঃৰ পৰা প্ৰতি দুবছৰৰ মূৰে মূৰে এতিয়ালৈকে গৰ্গমুনিৰ অভিশাপ, অভিমন্যু বধ, সীতাহৰণ বালী বধ আৰু ভীষ্ম পৰ্ব আদি মাতৃভাষাৰ নাট অভিনয় কৰাটো উল্লেখযোগ্য৷ এইবোৰ উদাহৰণে সৰ্বস্তৰৰ জনসাধাৰণৰ মাজত মাতৃভাষাৰ ভাওনাৰ জনপ্ৰিয়তাকে প্ৰমাণ কৰে৷

প্ৰতিযোগিতা আৰু সমাৰোহৰ আয়োজন ঃ

মাতৃভাষাৰ ভাওনা ঘাইকৈ গাঁৱৰ নামঘৰে নামঘৰে চলি আহিছিল৷ শংকৰদেৱৰ জন্মোৎসৱ আদিত কোনো ৰাজহুৱা স্থানত ৰভা-পৰলা দি অন্যান্য কাৰ্যসূচীৰ লগতে ৰাতিলৈ ভাওনা পতা হৈছিল৷ তেতিয়াৰ জন্মোৎসৱৰ প্ৰতিদিনেই ৰাতিলৈ একোখনকৈ ভাওনা হৈছিল৷ বিগত শতিকাৰ শেষৰ দশকৰ পৰা ভাওনাৰ প্ৰতিযোগিতাৰ আৰম্ভ হ'ল৷ 'সপ্তশিখা' নামৰ অনুষ্ঠানটোৱে প্ৰথমতে যোৰহাটত প্ৰতিযোগিতাৰ আয়োজন কৰিছিল৷ গোলাঘাটৰ মেলামৰা আৰু সৰুপথাৰৰ চুকীয়া পথাৰ অঞ্চলতো তেতিয়াই মাহেক জোৰাকৈ প্ৰতিযোগিতা হোৱাৰ কথা জনা যায়৷ সম্প্ৰতি বিশেষকৈ উজনি অসমৰ বিভিন্ন ঠাইত প্ৰতিবছৰে মাতৃভাষাৰ ভাওনাৰ প্ৰতিযোগিতা অনুষ্ঠিত হৈ আহিছে৷ দৰাচলতে এনে প্ৰতিযোগিতাসমূহ এক উৎসৱলৈ পৰিণত হৈছেগৈ৷

সামৰণি ঃ

কালক্ৰমত শংকৰদেৱে প্ৰৱৰ্তন কৰা অংকীয়া ভাওনাৰ ৰূপৰ লগতে ৰূপায়ণ পদ্ধতিৰো পৰিৱৰ্তন ঘটি সৃষ্টি হোৱা মাতৃভাষা নাটৰ প্ৰচলনৰ ক্ষেত্ৰত বহু পৰিমাণে সমসাময়িক সমাজৰ দাবী আৰু কোনো কোনো ক্ষেত্ৰত সত্ৰৰ সত্ৰাধিকাৰসকলৰ অভিষেকৰ সময়ত প্ৰয়োজন হোৱা নাট অভিনয়ৰ কথা বিশেষভাৱে উল্লেখনীয়৷ জনসাধাৰণৰ মুখৰ ভাষাৰ সৈতে নিমিলা কৃত্ৰিম ব্ৰজাৱলী ভাষাৰ ব্যৱহাৰে আনি দিয়া দূৰত্ব, ব্ৰজাৱলী ভাষাৰ পৰ্যাপ্ত জ্ঞান নথকা সত্ৰাধিকাৰেও মাতৃভাষাৰ ভাওনাৰ নাট ৰচনা কৰি তাৰ অভিনয় কৰাৰ লগে লগে অংকীয়া নাটৰ সমাদৰ কমি আহিবলৈ ধৰিলে৷ কিন্তু এই অংকীয়া ভাওনাই সুদীৰ্ঘ সময় জুৰি অসমীয়া জনমানসক প্ৰভাৱিত কৰি ৰাখিবলৈ সক্ষম হৈছিল৷ স্বৰূপাৰ্থত শংকৰদেৱৰ সোণসেৰীয়া সৃষ্টি অংকীয়া নাট এটা সময়লৈ ভাওনালৈ পৰ্যবসিত হ'ল আৰু লগতে যুগধৰ্মৰ সলনিৰ পৰিপ্ৰেক্ষিতত অংকীয়া শৈলীৰ কিছু পৰিৱৰ্তন ঘটি বৰ্তমানে বিপুল জনপ্ৰিয় অনুষ্ঠান মাতৃভাষাৰ ভাওনাৰ অভিষেক ঘটিল৷ গতিকে ক'ব লাগিব– অংকীয়া নাটে ঐতিহাসিক পৰম্পৰা আৰু পৰিৱৰ্তনৰ এক দীঘলীয়া পথ অতিক্ৰম কৰি আহি শংকৰদেৱৰ ভক্তিবাদৰ আদৰ্শই জনসমাজত প্ৰতিষ্ঠা লাভ কৰিছেহি৷ সময়ৰ কুটিল আহ্বানত এদিন মাতৃভাষাৰ ভাওনায়ো তাৰ চৰিত্ৰৰ ৰূপ সলনি কৰিব আৰু উদয় হ'ব সাংস্কৃতিক এক নতুন সূৰুযৰ৷

গ্ৰন্থপঞ্জী ঃ

শৰ্মা, সত্যেন্দ্ৰ নাথ ঃ অসমীয়া নাট্য সাহিত্য, সৌমাৰ প্ৰকাশ, গুৱাহাটী, প্ৰথম সংস্কৰণ, ১৯৬২

গোস্বামী, দেৱ কেশৱানন্দ ঃ সত্ৰ-সংস্কৃতিৰ ৰূপৰেখা, বনলতা, গুৱাহাটী, প্ৰথম সংস্কৰণ, ১৯৭৩

গোস্বামী, দেৱ কেশৱানন্দ ঃ অংকমালা, বনলতা, গুৱাহাটী, প্ৰথম সংস্কৰণ, ১৯৭৯

ডেকা হাজৰিকা, কৰবী ঃ অসমীয়া সাহিত্যৰ ৰূপৰস, বনলতা, ডিব্ৰুগড়, প্ৰথম প্ৰকাশ, ১৯৮৫

দাস, নাৰায়ণ ঃ শংকৰী সাহিত্যৰ ভূমিকা, বীণা লাইব্ৰেৰী, গুৱাহাটী, দ্বিতীয় সংস্কৰণ, ১৯৮৯

বৈশ্য, ভুৱনেশ্বৰী [সম্পাঃ] ঃ অসমৰ বৈষ্ণৱ সাহিত্য আৰু সংস্কৃতি, অসমীয়া বিভাগ, কটন কলেজ, গুৱাহাটী, ১৯৯১

দেৱ গোস্বামী, কেশৱানন্দ ঃ অঙ্কীয়া ভাওনা, বনলতা, ডিব্ৰুগড়, চতুৰ্থ সংস্কৰণ, ২০০০

দেৱ গোস্বামী, কেশৱানন্দ ঃ ভাৰতীয় পটভূমিত শংকৰী সাহিত্য আৰু সত্ৰীয়া সংগীত, বনলতা, ডিব্ৰুগড়, প্ৰথম সংস্কৰণ, ২০০১

দেৱ গোস্বামী, কেশৱানন্দ ঃ শংকৰদেৱ অধ্যয়ন প্ৰসংগ, ঐতিহ্য আৰু পৰম্পৰা, বাণী মন্দিৰ, ডিব্ৰুগড়, প্ৰথম প্ৰকাশ, ২০০৫

মহন্ত, নিৰুপমা ঃ শংকৰদেৱ অধ্যয়ন প্ৰসংগ, বাণী প্ৰকাশ, গুৱাহাটী, ২০১১

ভট্টাচাৰ্য, হৰিন্দ্ৰ ঃ অসমীয়া নাট্য সাহিত্যৰ জিলিঙনি, লয়াৰ্ছ বুক ষ্টল, গুৱাহাটী, প্ৰথম প্ৰকাশ, ২০১৬

শইকীয়া, মাণিক ঃ মাতৃভাষা ভাওনা, ঐতিহ্য আৰু বিৱৰ্তন, শব্দ, যোৰহাট, প্ৰথম প্ৰকাশ, ২০১৬

শইকীয়া, ৰক্তিম ৰঞ্জন [সম্পা.] ঃ ভাওনা দৰ্পণ, অসম পাব্লিচিং কোম্পানী, গুৱাহাটী, ২০১৫

ভূএগ, পংকজ [সম্পা.] ঃ অংকীয়া ভাওনা ঃ নিৰ্বাচিত প্ৰবন্ধাৱলী, জাগৰণ সাহিত্য প্ৰকাশ, গুৱাহাটী, ২০১৭

বৰ্মন, শিৱনাথ [সম্পা.] ঃ অসমীয়া সাহিত্যৰ বুৰঞ্জী [দ্বিতীয় খণ্ড], আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা, গুৱাহাটী, ২০১৫

শৰ্মা, নবীন চন্দ্ৰ ঃ অসমৰ সাংস্কৃতিক ইতিহাস [দ্বিতীয় খণ্ড], অসম সাহিত্য সভা, ২০০৯

শইকীয়া, নগেন ঃ অসমীয়া মানুহৰ ইতিহাস, অসম প্ৰকাশন পৰিষদ, ১৯৯৮ লেখক - গৱেষক, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়, অসমীয়া বিভাগ।